# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 20-09-2026**
**Time : 1205 Hrs**

***Assamese Midday Bulletin***
**---------------------------**

১।	মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ধুবুৰীৰ চাপৰত তিনি হাজাৰ ২০০ মেগাৱাট শক্তিসম্পন্ন তাপবিদ্যুৎ প্ৰকল্পৰ আধাৰশিলা স্থাপন কাৰ্যসূচী।

২।	ৰাজ্যৰ ভিন্ন প্ৰান্তত আজি ছহিদ দিৱস পালন।

৩।	অসমৰ সংগীত ক্ষেত্ৰৰ প্ৰাতঃস্মৰণীয় ব্যক্তি জয়ন্ত হাজৰিকাৰ ওপজা দিনত ৰাজ্যবাসীৰ সশ্ৰদ্ধ সোঁৱৰণ।
***আৰু***

৪।	এছিয়ান গেমছৰ ১০ মিটাৰ এয়াৰ ৰাইফল ইভেণ্টত ভাৰতৰ আইচি নাগোয়াৰ ৰূপৰ পদক অৰ্জন।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ধুবুৰীৰ চাপৰত আজি তিনি হাজাৰ ২০০ মেগাৱাট শক্তিসম্পন্ন তাপবিদ্যুৎ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। অনুষ্ঠানত বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহল, ভূমি সংৰক্ষণ মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ, বিলাসীপাৰাৰ বিধায়ক জীৱেশ ৰায় আৰু আদানী গ্ৰুপৰ সঞ্চালক জিৎ আদানী উপস্থিত থাকিব। ৪৮ হাজাৰ কোটি টকা বিনিয়োগেৰে নিৰ্মাণ কৰিবলগীয়া এই তাপবিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণ কালত ২০ হাজাৰৰো অধিক নিয়োগ সৃষ্টিৰ উপৰি নিৰ্মাণ কাৰ্য আৰম্ভ হোৱাৰ পাছত পাঁচ হাজাৰৰো অধিক নিয়োগ সৃষ্টি হ'ব বুলি আশা কৰা হৈছে।

ড০ শৰ্মাই কালি ধুবুৰীৰ তামাৰহাট বজাৰত পুনৰ নিৰ্মাণ কৰা দূৰ্গা মন্দিৰ উদ্বোধন কৰে। তেওঁ ইয়াৰ পূৰ্বে পশ্চিমবংগৰ কোচবিহাৰত থকা মধুপুৰ সত্ৰ পৰিদৰ্শন কৰে। সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত ড০ শৰ্মাই কয়, যে স্বকীয়তা আৰু পৰম্পৰা অটুট ৰাখি বটদ্ৰৱাৰ আৰ্হিত মধুপুৰ সত্ৰৰ সৰ্বাংগীন সংৰক্ষণ আৰু আন্তঃগাঁথনি বিকাশৰ বাবে ৰাজ্য চৰকাৰে বিশেষ পৰিকল্পনা হাতত লৈছে।

ড০ শৰ্মাই গৌৰীপুৰৰ ঐতিহাসিক হাৱামহল পৰিদৰ্শন কৰি ইয়াৰ পুনৰ নিৰ্মাণ আৰু সংৰক্ষণ কাৰ্যৰ অগ্ৰগতিৰো পৰ্যালোচনা কৰে। গদাধৰ নৈৰ পাৰত অৱস্থিত এই স্থাপত্য গৌৰীপুৰ ৰাজপৰিয়ালৰ ঐতিহ্যৰ প্ৰতীক হোৱাৰ উপৰি অসমৰ কলা-সংস্কৃতিৰ বহু অমূল্য স্মৃতিৰ সৈতে গভীৰভাৱে জড়িত বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। প্ৰমথেশ চন্দ্ৰ বৰুৱা, ড০ ভূপেন হাজৰিকা আৰু প্ৰতীমা বৰুৱা পাণ্ডেৰ জীৱন আৰু সৃষ্টিৰ সৈতে বিশেষভাৱে জড়িত হাৱামহলৰ পুনৰ নিৰ্মাণত পৰম্পৰাগত স্থাপত্যৰ স্বকীয়তা অক্ষুণ্ণ ৰাখি আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। ড০ শৰ্মাই লগতে প্ৰতীমা বৰুৱা পাণ্ডেৰ স্মৃতি আৰু অৱদানক যুগমীয়া কৰি ৰখাৰ বাবে তেওঁৰ কোনো স্মৃতিচিহ্ন বা সামগ্ৰী গৌৰীপুৰ ৰাজ পৰিয়ালৰ সদস্যৰ হাতত থাকিলে ইয়াত স্থাপন হ'বলগীয়া সংগ্ৰহালয়ত সংৰক্ষণৰ বাবে আগবঢ়াবলৈ আহ্বান জনায়।

০০০

ৰাজ্যৰ ভিন্ন প্ৰান্তত আজি ছহিদ দিৱস পালন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ছহিদ দিৱস উপলক্ষে স্বাধীনতা আন্দোলনৰ প্ৰত্যেকগৰাকী বীৰ ছহিদলৈ অসমবাসীৰ হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। উল্লেখযোগ্য যে ঐতিহাসিক ভাৰত ত্যাগ আন্দোলনৰ আজিৰ দিনটোতেই দেশৰ স্বাধীনতাৰ হকে অসমৰ কনকলতা বৰুৱা আৰু মুকুন্দ কাকতিকে ধৰি কেইবাগৰাকীও স্বাধীনতা সংগ্ৰামীয়ে জীৱন উৎসৰ্গা কৰিছিল। মাতৃভূমিৰ বেদীত সৰ্বোচ্চ বলিদান আগবঢ়োৱা অমৰ ছহিদসকলৰ অদম্য ত্যাগ আৰু দেশপ্ৰেমক অসমবাসীৰ হৈ মুখ্যমন্ত্ৰীয়ে শ্ৰদ্ধা নিবেদন কৰে।

শ্বহীদ দিৱস উপলক্ষে এছ বি আই ফাউণ্ডেছন আৰু গ্ৰাম্য বিকাশ মঞ্চই বিশ্বনাথ জিলাৰ ৰাইজৰ সহযোগত বীৰাংগনা শ্বহীদ কনকলতা বৰুৱাৰ ত্যাগ আৰু বীৰত্ব শ্ৰদ্ধাৰে সোঁৱৰাৰ উদ্দেশ্যে আজি বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছে। ইয়াৰ সৈতে সংগতি ৰাখি আজি জিলাখনৰ বৰঙাবাৰীত এছ বি আই সন্মান প্ৰজেক্টৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হ'ব। এই প্ৰকল্পৰ অধীনত সমাজৰ ১০০ গৰাকী যুৱক-যুৱতীক প্ৰতিৰক্ষা বাহিনীৰ সৈতে জড়িত চাকৰিৰ বাবে প্ৰশিক্ষণ প্ৰদানৰ উদ্দেশ্যে বীৰাংগনা কনকলতা বৰুৱা যুৱ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা হৈছে। মহিলাসকলৰ দক্ষতা বিকাশ আৰু আত্মনিৰ্ভৰশীলতাৰ বাবে প্ৰেৰণা কেন্দ্ৰ স্থাপন কৰি তেওঁলোকক কাটিং আৰু চিলাইৰ প্ৰশিক্ষণ প্ৰদানৰো ব্যৱস্থা কৰা হৈছে। ইয়াৰ লগতে জনসাধাৰণক কম খৰচত বিভিন্ন অনলাইন সেৱা উপলভ্য কৰোৱাৰ উদ্দেশ্যে গ্ৰাম সেৱা কেন্দ্ৰও স্থাপন কৰা হৈছে।

০০০

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি তামুলপুৰ জিলাৰ গোৰেশ্বৰ মহাবিদ্যালয়ত পি এম উষা আঁচনিৰ অধীনত তিনি কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ছাত্ৰী নিবাস উদ্বোধন কৰে। তেওঁ লগতে ভৈয়াম জনজাতি কল্যাণ বিভাগৰ অধীনত ২৫ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মিত আন এটা শৈক্ষিক ভৱনো উদ্বোধন কৰে। এই কাৰ্যসূচীত বিধয়ক ভিক্টৰ দাস আৰু বিটিচিৰ কাৰ্যবাহী সদস্য মহেশ্বৰ বসুমতাৰী উপস্থিত থাকে। ১৯৭৪ চনত স্থাপিত মহাবিদ্যালয়খনৰ এই নৱ নিৰ্মিত আন্তঃগাঁথনি আৰু সুবিধাসমূহৰ সঠিক ব্যৱহাৰেৰে শৈক্ষিক উৎকৰ্ষৰ দিশত দৃঢ়তাৰে আগবাঢ়ি যাব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে কামনা কৰে।

০০০

অসমৰ সংগীত ক্ষেত্ৰৰ প্ৰাতঃস্মৰণীয় ব্যক্তি, যশস্বী কণ্ঠশিল্পী, সুৰকাৰ, সংগীত পৰিচালক জয়ন্ত হাজৰিকাৰ ওপজা দিনত আজি ৰাজ্যবাসীয়ে তেওঁক শ্ৰদ্ধাৰে সুঁৱৰিছে। ***(গান)***

সুললিত কণ্ঠৰে অসমীয়া সংগীত জগতলৈ অনন্য বৰঙনি আগবঢ়াই যোৱা শিল্পীগৰাকীয়ে ১৯৪৩ চনৰ আজিৰ দিনটোতে মঙলদৈত জন্মগ্ৰহণ কৰিছিল। অসামান্য প্ৰতিভাৰ অধিকাৰী জয়ন্ত হাজৰিকাই বনৰীয়া ফুল, নিয়তি, বৃষ্টি, ধৰ্মকায়, নতুন আশা আদি বোলছবিত স্বকীয়ভাৱে সংগীত পৰিচালনা কৰিছিল। ১৯৬২ চনত তেওঁ কলিকতাত ৰেকৰ্ড কৰা **আগলি বতাহে কঁপালে কলৰে পাত**... আৰু **কৃষ্ণচূড়া কৃষ্ণচূড়া**... গানৰ ৰেকৰ্ডখন যথেষ্ট জনপ্ৰিয় হৈছিল। ভূপেন হাজৰিকাৰ পৰিচালনাত মণিৰাম দেৱান বোলছবিত **সোণাৰ বৰণ পাখিৰে তোৰ**.... গানত

পশ্চিমবংগৰ শিল্পী শ্যামল মিত্ৰৰ সৈতে কণ্ঠদান কৰাৰ পাছত তেওঁ ভালেমান গীতত সুৰ আৰু কণ্ঠদান কৰাৰ উপৰি বোলছবি, মঞ্চনাট আৰু তথ্যচিত্ৰৰ বাবে সংগীত পৰিচালনা কৰিবলৈ আৰম্ভ কৰে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বৰেণ্য কণ্ঠশিল্পী, সুৰৰ যাদুকৰগৰাকীৰ পবিত্ৰ জন্ম বাৰ্ষিকীত গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয়, যে জয়ন্ত হাজৰিকাৰ কণ্ঠৰ মায়াময় সুৰ, হৃদয়স্পৰ্শী গীত আৰু অনন্য সৃষ্টিৰাজীয়ে অসমীয়া সংগীতক সমৃদ্ধ কৰাৰ লগতে সাংস্কৃতিক জীৱনলৈ অমলিন সৌন্দৰ্য কঢ়িয়াই আনিছে। তেওঁৰ সুৰত থকা আৱেগ, ভালপোৱা আৰু অসমীয়াৰ আত্মাৰ স্পন্দন প্ৰজন্মৰ পাছত প্ৰজন্মলৈ বৈ থাকিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০

উচ্চ শিক্ষাৰ অগ্ৰণী প্ৰতিষ্ঠান মঙলদৈ মহাবিদ্যালয়ৰ ৭৫ বছৰীয়া প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আজি শিক্ষানুষ্ঠানখনৰ মহাৰজত জয়ন্তীৰ শুভাৰম্ভ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। উদযাপন সমিতিৰ সভাপতি নীলিমা দেৱীয়ে মহাবিদ্যালয়ৰ পতাকা উত্তোলনেৰে আৰম্ভ কৰা কাৰ্যসূচীৰ অংশ হিচাপে আজি স্মৃতি তৰ্পণ, সাংস্কৃতিক শোভাযাত্ৰা আৰু ৭৫ বছৰীয়া মঙলদৈ মহাবিদ্যালয়ৰ ইতিহাস, ঐতিহ্য আৰু উত্তৰণ শীৰ্ষক বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড০ কনক চন্দ্ৰ চহৰীয়াই বক্তা হিচাপে অংশগ্ৰহণ কৰিবলগীয়া এই অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা। দৰং-ওদালগুৰি সমষ্টিৰ সাংসদ তথা বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব বুলি আমাৰ সংবাদদাতাই জনাইছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মহাবিদ্যালয়খনৰ মহাৰজত জয়ন্তী বৰ্ষ উপলক্ষে শিক্ষক, কৰ্মচাৰী, শিক্ষাৰ্থী তথা শুভাকাংশীলৈ ওলগ জনাইছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে উচ্চ শিক্ষাৰ পোহৰ বিলাই শৈক্ষিক আৰু বৌদ্ধিক ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানক সুঁৱৰি এই ঐতিহাসিক ক্ষণ উপলক্ষে আয়োজিত সকলো কাৰ্যসূচী সফল হোৱাৰ কামনা কৰে।

০০০

বড়ো সংগীত জগতৰ বিশিষ্ট কণ্ঠশিল্পী তথা মেলডী কুইনখ্যাত সুলেখা বসুমতাৰীক এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিজনীৰ ইংখং ৰেলফেয়াৰ ছ'চাইটীয়ে ২০২৬ বৰ্ষৰ মেন অব্ দ্যা ইয়েৰ বঁটা প্ৰদান কৰে। বিজনীৰ পৰা প্ৰকাশিত প্ৰথমখন বড়ো দৈনিক বাতৰি কাকত **সানচেয়াৰী বড়োলেণ্ড ইংখংৰ** ২৩ সংখ্যক বৰ্ষপূৰ্তিৰ সৈতে সংগতি ৰাখি বঙাইগাঁও জিলাৰ মৌতাবাৰ বৈমালী একাডেমী বিএড মহাবিদ্যালয়ত আয়োজিত এটা বিশেষ অনুষ্ঠানত শিল্পীগৰাকীক এই বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছে নগদ ২৫ হাজাৰ টকা, এখন মানপত্ৰ আৰু এটি স্মাৰক। একেটা অনুষ্ঠানতেই বিশিষ্ট ৰাজনীতিবিদ কোকৰাঝাৰ লোকসভা সমষ্টিৰ কেইবাবাৰৰ সাংসদ চানছুমা খুংগুৰ বিসমুতিয়াৰীকো ২০২৫ বৰ্ষৰ বাবে মেন অব্ দ্যা ইয়েৰ বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত সাহিত্য একাডেমী বঁটাৰে সন্মানিত ড° মংগলছিং হাজোৱাৰীয়ে বাংলাদেশৰ বড়োমূলৰ বিশিষ্ট সাহিত্যিক মথুৰা বিকাশ, ত্ৰিপুৰাৰ **মেগন** শীৰ্ষক এখন ইংৰাজী গ্ৰন্থ উন্মোচন কৰে। উল্লেখযোগ্য যে, ইংখং ৰেলফেয়াৰ ছ'চাইটীয়ে ২০০৬ বৰ্ষৰ পৰাই সাহিত্য,

সংস্কৃতি, ৰাজনীতি, সমাজ সেৱক আজি বিভিন্ন ক্ষেত্ৰলৈ অৱদান আগবঢ়াই অহা বিশিষ্ট ব্যক্তিসকলক এই বঁটা প্ৰদান কৰি আহিছে।

০০০

জাপানত চলি থকা এছিয়ান গেমছৰ মহিলাৰ শ্বুটিঙৰ ১০ মিটাৰ এয়াৰ ৰাইফল ইভেণ্টত ভাৰতৰ আইচি নাগোয়াই ৰূপৰ পদক অৰ্জন কৰিছে। এইটো হৈছে এইবাৰৰ এচিয়ান গেমছৰ ভাৰতৰ প্ৰথমটো পদক। এই বিভাগত চীনে সোণৰ আৰু জাপানে ব্ৰঞ্জৰ পদক লাভ কৰে।

০০০

সমাপ্ত